# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 14-05-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - -

ন্যায়াধীশ ভূষণ ৰামকৃষ্ণ গৱইয়ে আজি ভাৰতৰ ৫২ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে শপতগ্ৰহণ কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা বিশেষ অনুষ্ঠানত ন্যায়াধীশ গৱইক শপতবাক্য পাঠ কৰোৱায়। ন্যায়াধীশ বি আৰ গৱাই কালি কাৰ্যকাল সমাপ্ত হোৱা ন্যায়াধীশ সঞ্জীৱ খান্নাৰ স্থলাভিষিক্ত হ'ব। তেওঁ অহা ছমাহ দেশৰ মুখ্য ন্যায়াধীশ হিচাপে কাৰ্যনিৰ্বাহ কৰিব। ২০১৯ চনৰ পৰা উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে কাৰ্যনিৰ্বাহ কৰা গৱই বিমুদ্ৰাকৰণৰ পৰা আৰম্ভ কৰি নিৰ্বাচনী বণ্ডলৈকে কমেও ৩০০টা গোচৰৰ সৈতে জড়িত আছিল। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী আৰু উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশে শপতগ্ৰহণ অনুষ্ঠানত ভাগ লয়।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সোণাপুৰৰ কচুতলীৰ উচ্ছেদিত অঞ্চলত উপস্থিত হৈ দশম অসম আৰক্ষী বেটেলিয়নৰ আধুনিক প্ৰশিক্ষণৰ সুবিধাসম্পন্ন চৌহদৰ বাবে আৱণ্টিত ভূমি পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে কচুতলীত উচ্ছেদ চলাই এহেজাৰ বিঘা ভূমি মুক্ত কৰিছিল। প্ৰায় ১০০ বিঘা ভূমি সামৰি এই উচ্ছেদিত অঞ্চলটোত আৰক্ষী বেটেলিয়নৰ প্ৰশিক্ষণৰ কাৰ্যালয়টো নিৰ্মাণ কৰা হ'ব। অহা ছমাহৰ ভিতৰত কাৰ্যালয়টোৰ নিৰ্মাণকাৰ্য আৰম্ভ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তেওঁ কয়, যে উচ্ছেদিতসকল প্ৰকৃত ভাৰতীয় বুলি প্ৰমাণিত হ'লে নিজ ঠাইতে ভূমি প্ৰদান কৰা হ'ব। ইয়াৰ লগতে তেওঁ ৰাজ্যবাসীক দালালৰ চক্ৰত নপৰিবলৈ আহ্বান জনায়।

ooooo

অপাৰেচন সিন্দূৰৰ সফলতাৰ পাছত সশস্ত্ৰ বাহিনীৰ বীৰত্বক উদযাপনৰ উদ্দেশ্যে ৰাষ্ট্ৰজুৰি ১১ দিনীয়া **শৌৰ্য সন্মান যাত্ৰা** শীৰ্ষক ত্ৰিৰংগ যাত্ৰা কাৰ্যসূচী অব্যাহত আছে। অসম প্ৰদেশ বিজেপিয়ে আজি আদাবাৰীৰ অটল উদ্যানৰ পৰা কামাখ্যা মন্দিৰৰ নামনিলৈ ত্ৰিৰংগ যাত্ৰা উলিয়ায়। বিজেপিৰ নেতা-কৰ্মীৰ উপস্থিতিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই যাত্ৰাৰ শুভাৰম্ভ কৰে।

ৰাজ্যৰ অন্যান্য প্ৰান্তৰ দৰে কাৰ্বি আংলঙৰ ডিফু চহৰত ডিফু ৰাষ্ট্ৰীয় সুৰক্ষা নাগৰিকৰ উদ্যোগত ত্ৰিৰংগ যাত্ৰা উলিওৱা হয়। কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সহস্য তুলিৰাম ৰংহাং, সাংসদ অমৰছিং তিছ', বিধায়ক বিদ্যাছিং ইংলেঙৰ লগতে বিজেপিৰ কেইবাগৰাকীও কৰ্মকৰ্তাই যাত্ৰাত অংশ লয়। ৰাজ্যখনত কাইলৈ আৰু পৰহিলৈ জিলা পৰ্যায়ত আৰু ১৮ মে'ত বুথ পৰ্যায়ত ত্ৰিৰংগ যাত্ৰা আৰম্ভ হ'ব।

ooooo

ৰাজ্য চৰকাৰে অহা ১৫ আগষ্টৰ ভিতৰত আৰু ১০ খন সমজিলা গঠন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সমজিলাকেইখন হৈছে- বকো-ছয়গাঁও, পলাশবাৰী, ৰঙাপাৰা, বৰছলা, মৰিয়নি, টীয়ক, মাকুম, ডিগবৈ,

ধলাই আৰু দুধনৈ। কামৰূপ, শোণিতপুৰ, যোৰহাট, তিনিচুকীয়া, কাছাৰ আৰু গোৱালপাৰাত এই সমজিলাকেইখন গঠন কৰা হ'ব। প্ৰশাসনক ব্যৱস্থাক সুশৃংখলিত কৰি জনসাধাৰণকেন্দ্ৰিক সেৱাসমূহ কম সময়ৰ ভিতৰত উপলভ্য কৰোৱাৰ লক্ষ্যৰে পূৰ্বে ৩৯ খন সমজিলা গঠন কৰা হৈছিল।

00000

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে এই বছৰ উচ্চতৰ মাধ্যমিকৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কৃত্ৰিম বুদ্ধিমত্তা, বিত্তীয় সাক্ষৰতা আৰু সাংকেতিক ভাষা - এই তিনিটা নতুন ঐচ্ছিক বিষয় প্ৰৱৰ্তন কৰিছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ, উপাধ্যক্ষ আৰু আই আই টি গুৱাহাটীৰ সঞ্চালক উপস্থিতিত আই আই টি গুৱাহাটীত শিক্ষক শিক্ষয়িত্ৰীসকলৰ বাবে তিনি-দিনয়া আৱাসিক কৃত্ৰিম বুদ্ধিমত্তা প্ৰশিক্ষণ কাৰ্যসূচী উদ্বোধন কৰে আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ পাঠ্যপুথি উন্মোচন কৰে। মন্ত্ৰীগৰাকীয়ে লগতে এই পাঠ্যপুথি যুগুতাই উলিওৱাৰ ক্ষেত্ৰত আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে আই আই টি গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ শলাগ লয়।

00000

জম্মু-কাশ্মীৰৰ পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক লৈ দেশবিৰোধী মন্তব্য কৰাৰ অভিযোগত অসম আৰক্ষীয়ে এই পৰ্যন্ত ৫৮ জন লোকক গ্ৰেপ্তাৰ কৰিছে। কালি শোণিতপুৰ আৰক্ষীয়ে ছুকুৰ আলী আৰু ফজল আলী নামৰ লোক দুজনক গ্ৰেপ্তাৰ কৰে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম যোগে এই বিষয়ে প্ৰকাশ কৰি অসম আৰক্ষীয়ে এই অভিযান পৰৱৰ্তী সময়তো অব্যাহত ৰাখিব বুলি উল্লেখ কৰে। তেওঁ লগতে জনসাধাৰণক এনে দেশ বিৰোধী মন্তব্য দৃষ্টি গোচৰ হোৱাৰ মাত্ৰেই প্ৰশাসনক অৱগত কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে দেশবিৰোধী মন্তব্য কৰাৰ অভিযোগত কাছাৰৰ পৰা সৰ্বাধিক ছজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। দেশবিৰোধী মন্তব্য কৰা লোকৰ বিৰুদ্ধে কোনো ধৰণৰ সহানুভূতি প্ৰদৰ্শন কৰা নহ'ব মুখ্যমন্ত্ৰী ডং শৰ্মাই উল্লেখ কৰে।

00000

ৰাজ্য চৰকাৰে স্পৰ্শকাতৰ অঞ্চলসমূহত বান খহনীয়া প্ৰতিৰোধী কাম অব্যাহত ৰাখিছে। বান আৰু খহনীয়া প্ৰতিৰোধী কামসমূহ সুচাৰুৰূপে সম্পন্ন কৰাৰ লক্ষ্যৰে মন্ত্ৰী পীযূষ হাজৰিকাই আজি গুৱাহাটীৰ বশিষ্ঠৰ অসম জল ভৱনত বিভাগীয় বিষয়াসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত তেওঁ বান আৰু নদী খহনীয়া ব্যৱস্থাপনা প্ৰাধিকৰণ, অসমৰ অধীনত বিভিন্ন স্থানত চলি থকা কাম-কাজসমূহৰ বুজ লয়। তেওঁ বান খহনীয়া প্ৰতিৰোধৰ বাবে পৰ্যাপ্ত পৰিমাণে জিঅ' বেগ, পাৰ্কুপাইন আদি যোগান ধৰাৰ লগতে নিৰ্ধাৰিত সময়ত কাম সম্পন্ন কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। শেহতীয়াকৈ ৰাজ্যৰ ২১৬টা নতুন বান খহনীয়া প্ৰৱণ স্পৰ্শকাতৰ স্থান চিনাক্ত কৰা হৈছে। বৈঠকত তেওঁ এই স্থানকেইটাত শীঘ্ৰেই প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণৰ বাবে বিষয়াসকলক পৰামৰ্শ আগবঢ়ায়। বানৰ সময়ছোৱাত ৰাইজে যাতে অসুবিধাৰ সন্মুখীন নহয়, তাৰ বাবে তেওঁ সংশ্লিষ্ট বিষয়াসকলক সতৰ্ক কৰি দিয়ে।

00000

সমাপ্ত